# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-04-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ হৰদৈত ৫৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ গংগা এক্সপ্ৰেছৱে মুকলি কৰে।

২। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্য্যায়ৰ ভোটগ্ৰহণ অব্যাহত আছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ইকুৱেডৰৰ বৈদেশিক মন্ত্ৰী গেব্ৰিয়েলা চমৰফ্লেডৰ সৈতে বিভিন্ন বিষয়ক লৈ দুয়ো দেশৰ মাজৰ সহযোগিতা অধিক ত্বৰান্বিত কৰাৰ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰে।

৪। ধাৰাষাৰ বৰষুণৰ ফলত মিজোৰামৰ আইজল, চেৰছিপ আৰু লুংলেই জিলাৰ স্বাভাৱিক জীৱন যাত্ৰা দ্বিতীয় দিনৰ বাবে ব্যাহত হৈ আছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি মুম্বাই ইণ্ডিয়ানছ্, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ হৰদৈইত ৫৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ গংগা এক্সপ্ৰেছৱে মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয়, যে যিদৰে হাজাৰ হাজাৰ বছৰ ধৰি গংগা নদী উত্তৰ প্ৰদেশৰ আয়ুষ ৰেখা হৈ আছে তেনেদৰে এই এক্সপ্ৰেছৱে ৰাজ্যখনৰ বিকাশৰ নতুন আয়ুষ ৰেখা হিচাপে পৰিগণিত হ'ব।

-বাইট-

দ্ৰুতবেগী যাতায়াতৰ বাবে নিৰ্মাণ কৰি উলিওৱা এই কৰিডৰে সমগ্ৰ উত্তৰ প্ৰদেশৰ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে ঔদ্যোগিক বিনিয়োগ, কৃষি বজাৰ ব্যৱস্থা, আঞ্চলিক ভাৰসাম্যতা ৰক্ষা কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰিব। উত্তৰ প্ৰদেশ এক্সপ্ৰেছৱে ঔদ্যোগিক প্ৰাধিকৰণে বিকশাই তোলা এই গংগা এক্সপ্ৰেছৱেই ৰাজ্যখনৰ পশ্চিম, মধ্য আৰু পূব অংশক একক দ্ৰুতবেগী কৰিডৰে সংযোগ কৰিব। এই এক্সপ্ৰেছৱে ৰাজ্যখনৰ দীৰ্ঘতম পথ যোগাযোগ ব্যৱস্থা। ইয়াৰ ফলত মীৰাট প্ৰয়াগৰাজৰ মাজত বৰ্তমানৰ ১২ ঘণ্টাৰ যাত্ৰাৰ সময় ৬ ঘণ্টালৈ হ্ৰাস কৰিব। এই এক্সপ্ৰেছৱে মীৰাট, হাপুৰ, বুলন্দশ্বহৰ,আমৰোহা, সম্ভল, বদায়ুনকে ধৰি ১২ খন জিলাক সামৰি ল'ব। উল্লেখযোগ্য যে, এই এক্সপ্ৰেছৱেত বায়ু সেনাৰ জৰুৰীকালীন

বিমান উৰণৰ আৰু অৱতৰণ বাবে শ্বাহজাহানপুৰত চাৰে ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ বিশেষ ৰানৱেৰ ব্যৱস্থা ৰখা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশ ভ্ৰমণৰ দ্বিতীয় তথা অন্তিম দিনা আজি বাৰাণসীৰ শ্ৰীকাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰে। প্ৰধানমন্ত্ৰীয়ে মন্দিৰৰ গৰ্ভ গৃহত পূজা অৰ্চনা আগবঢ়ায়। তেওঁ মন্দিৰ দৰ্শনৰ বাবে অহা কিছু সংখ্যক দৰ্শনাৰ্থীৰ সৈতে মত বিনিময়ো কৰে।

ooooooo

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে অব্যাহত আছে। দিনৰ ১১ বজা পৰ্যন্ত লাভ কৰা তথ্য অনুসৰি ৩৯ দশমিক ৯—৭ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। কলকাতা, হাওৰা আৰু ২৪ পৰগনা জিলাকে ধৰি ৰাজ্যখনৰ বিভিন্ন স্থানৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত আগ্ৰহী ভোটদাতাৰ দীঘলীয়া শাৰী পৰিলক্ষিত হোৱা বুলি আকাশবাণীৰ সংবাদদাতাসকলে জানিবলৈ দিছে। বৰা নগৰত ইলেকট্ৰনিক ভোটদান যন্ত্ৰৰ বিজুতি আৰু নদিয়াত বিজেপিৰ এগৰাকী প’লিং এজেণ্ট আহত হোৱাকে ধৰি কেতবোৰ বিক্ষিপ্ত ঘটনাৰ মাজতে কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ অধীনত ভোটগ্ৰহণ অব্যাহত আছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব।

এই পৰ্যায়ত ৰাজ্যখনৰ ৭ খন জিলাৰ ১৪২টা সমষ্টিক সামৰি লোৱা হৈছে। দ্বিতীয় পৰ্যায়ত এহেজাৰ ৪৪৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত ৩ কোটি ২২ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ভিতৰত প্ৰথমবাৰৰ বাবে ভোটদানৰ বাবে সুবিধা লাভ কৰা ১৮ৰ পৰা ১৯ বছৰ বয়সৰ চাৰি কোটি ২২ লাখৰো অধিক ভোটদাতা আছে।

নিৰ্বাচন আয়োগে ভোটগ্ৰহণ মুক্ত আৰু নিকাভাৱে সম্পন্ন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। আয়োগে ভোটগ্ৰহণৰ সময়ছোৱাত আইন শৃংখলা বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ প্ৰায় দুহেজাৰ ৩২১টা কোম্পানী আৰু দ্ৰুত সঁহাৰি বাহিনীৰ ৬০০ ৰো অধিক দল নিয়োগ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৩ এপ্ৰিলত অনুষ্ঠিত ৰাজ্যখনৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ৯৩ দশমিক ১-৯ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছিল। ৪ মে’ত অসম, কেৰলম, পশ্চিমবংগ, তামিলনাডু আৰু পুডুচেৰীৰ ভোটগণনা কৰা হ’ব।

ooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ইকুৱেডৰ বৈদেশিক মন্ত্ৰী গেব্ৰিয়েলা চমৰফ্লেডৰ সৈতে দেশ দুখনৰ মাজৰ বাণিজ্য, কৃষি, দক্ষতা নিৰ্মাণ আদি গুৰুত্বপূৰ্ণ ক্ষেত্ৰত সমূহত থকা সহযোগিতা অধিক ত্বৰান্বিত কৰাৰ সন্দৰ্ভত আলোচনাত মিলিত হয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ড০ জয়শংকৰে ভাৰতে নেতৃত্ব দিয়া ইছৰো আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁট আৰু ব্যঘ্ৰ জোঁট প্ৰক্ৰিয়াত যোগদান কৰাৰ বাবে ইকুৱেডৰে গ্ৰহণ কৰা সিদ্ধান্তক আদৰণি জনাইছে। তেওঁ কয়, যে ইকুৱেডৰ দুৰ্যোগ প্ৰতিৰোধৰ আন্তঃগাঁথনিৰ  হকে কাম কৰি আছে। ড০ জয়শংকৰে লগতে প্ৰভাৱশালী প্ৰকল্পসমূহৰ ৰূপায়ন কৰাৰ বাবে পুঁজি আৱণ্টনৰ উদ্দেশ্যে এখন চুক্তি স্বাক্ষৰ হোৱা বুলিও ঘোষণা কৰে। তেওঁ কয়, যে উভয় দেশৰ সম্পৰ্কক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত এই পদক্ষেপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। উল্লেখযোগ্য যে, ভাৰত আৰু ইকুৱেডৰৰ মাজৰ

দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে দেশখনৰ বৈদেশিক মন্ত্ৰী গেব্ৰিয়েলা চমৰফ্লেড তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে ভাৰতলৈ আহিছে।

০০০০০০০

ধাৰাষাৰ বৰষুণৰ ফলত মিজোৰামৰ আইজল, চেৰছিপ আৰু লুংলেই জিলাৰ স্বাভাৱিক জীৱন যাত্ৰা দ্বিতীয় দিনৰ বাবে ব্যাহত হৈ আছে। সংশ্লিষ্ট কৰ্তৃপক্ষই জনোৱা মতে, ভূমিস্খলন, বানপানী আৰু প্ৰতিকূল বতৰৰ বাবে হ'ব পৰা সম্ভাব্য যিকোনো দুৰ্যোগ আশংকাত ৰাজ্য খনৰ বিভিন্ন জিলাত কৰ্তৃপক্ষই বিদ্যালয়সমূহ বন্ধ ৰখাৰ নিৰ্দেশ দিছে। চৰকাৰী সূত্ৰই জনোৱা মতে, পাহাৰৰ পৰা বৈ অহা পানীয়ে ভূমিস্খলনৰ আশংকা বৃদ্ধি কৰিছে। এই ধাৰাষাৰ বৰষুণৰ ফলত ৰাজ্যখনত বিস্তৰ অঞ্চল ক্ষতিগ্ৰস্ত হৈছে। বতৰ বিজ্ঞান বিভাগে অহা কিছু দিনলৈ ৰাজ্যখনত প্ৰৱল বৰষুণ আৰু ধুমুহা আহিব বুলি আগ জাননি দিছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমৰ ভিন ভিন স্থানত অহা দুই-এদিনত প্ৰতি ঘণ্টাত ৫০ৰ পৰা ৬০ কিলোমিটাৰ বেগেৰে ধুমুহা-বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে এই সময়ছোৱাত বিজুলী-ঢেৰেকনিৰে অহা বতাহ-বৰষুণৰ ফলত ঠায়ে ঠায়ে পানী জমা হোৱা, যান-বাহনৰ চলাচল মন্থৰ হোৱা আৰু কিছুমান অঞ্চলত ভূমিস্খলন হোৱাৰ আশংকাই দেখা দিছে। জিলা কৰ্তৃপক্ষ আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু জৰুৰীকালীন ব্যৱস্থাসমূহ সক্ৰিয় কৰি তুলিছে। প্ৰাধিকৰণে বৰাক উপত্যকা আৰু গুৱাহাটী মহানগৰৰ জনসাধাৰণক প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু সজাগ হৈ থাকিবলৈ আহ্বান জনাইছে। নিয়মীয়া আৰু দূৰণিবটীয়া যাত্ৰীসকলক পৰিস্থিতি অনুযায়ী যাত্ৰাৰ পৰিকল্পনা কৰিবলৈ আৰু ধাৰাসাৰ বৰষুণৰ সময়ত প্ৰয়োজন নহ'লে ঘৰৰ পৰা ওলাই নাযাবলৈ আহ্বান জনাইছে।

উল্লেখযোগ্য যে আজি পুৱতি নিশাৰ পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ ভিন ভিন ঠাইত কৃত্ৰিম বানৰ ফলত জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা কম-বেছি পৰিমাণে ব্যাহত হৈ পৰা পৰিলক্ষিত হৈছে।

০০০০০০০

অহা ৪ মে'ত হ'বলগীয়া অসমৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি দিছপুৰৰ জনতা ভৱনত এখন সংবাদমেলত ভাগ লৈ এইকথা প্ৰকাশ কৰি লগতে কয়, যে শেহতীয়া ৫টা বিধানসভা নিৰ্বাচনৰ ভিতৰত এইবাৰ ৰাজ্যখনত সৰ্বাধিক ভোটদান হৈছে। বিশেষকৈ বৰপেটা, ধুবুৰী, গোৱালপাৰা, বঙাইগাঁও আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাত এইবেলি সৰ্বাধিক ভোটদান হোৱা বুলি তেওঁ প্ৰকাশ কৰে। ৰাজ্যৰ ৪০টা স্থানত ভোটগণনা কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে ইভিএমসমূহ কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত ৰখা হৈছে। ইয়াৰ বাবে চিআৰপিএফৰ ২৫টা কোম্পানী মোতায়েন কৰা হৈছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে। ৰাজ্যৰ মুঠ ১২৪টা সমষ্টিৰ বাবে ভাৰতীয় প্ৰশাসনিক সেৱাৰ একোগৰাকী বিষয়া পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে বুলি শ্ৰীগোৱেলে জানিবলৈ দিয়ে।

০০০০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি মুম্বাইৰ ৱানখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজার্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীর্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। যোৱা নিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে পঞ্জাব কিংছক ৬ উইকেটত পৰাস্ত কৰে। পঞ্জাব কিংছে নির্ধাৰণ কৰি দিয়া ২২৩ ৰানৰ বিজয় লক্ষ্য ৰাজস্থান ৰয়েলছে ১৯ অ'ভাৰ আৰু ২টা বলত ৪টা উইকেটৰ বিনিময়ত অতিক্ৰম কৰে। ৰাজস্থান ৰয়েলছৰ হৈ ড'নভান ফেৰেইৰাই সর্বাধিক ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। দলটোৰ যশস্বী জয়ছোৱালে ৫১ ৰান কৰাৰ বিপৰীতে বৈভৱ সূর্যবংশীয়ে ১৬ টা বলত ৪৩ ৰান সংগ্ৰহণ কৰে। পঞ্জাব কিংছৰ যুজবেন্দ্ৰ চহলে ৩টা উইকেট দখল কৰে।

ইয়াৰ পূর্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি পঞ্জাব কিংছে নির্ধাৰিত ২০ অভ'ৰাত চাৰিটা উইকেট হেৰুৱাই ২২২ ৰান কৰে। দলটোৰ হৈ মার্কাছ ষ্টয়নিছে সর্বাধিক ৬২ ৰান কৰি আউচ নোহোৱাকৈ থকাৰ লগতে প্ৰভসিমৰান সিঙে ৫৯ ৰানৰ বৰঙনি আগবঢ়ায়। ৰাজস্থান ৰয়েলছৰ যুছৰাজ পুঞ্জাই ২টা উইকেট দখল কৰে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদর্শনৰ বাবে ড'নভান ফেৰেইৰাক প্লেয়াৰ অৱ দ্য মেচৰ সন্মান প্ৰদান কৰা হয়।ঢ

০০০০০০০

সমাপ্ত